# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নামভৰ্তি প্ৰচাৰ, মূল প্ৰমাণপত্ৰ বিতৰণ আৰু প্ৰাক্তন শিক্ষাৰ্থীৰ পঞ্জীয়নৰ কাৰ্যসূচী




**ষ্টাফ ৰিপৰ্টাৰ, খবৰ, ৩ অক্টোবৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ৩ অক্টোবৰত খানাপাৰাস্থিত জুবিন প্ৰেক্ষাগৃহত নামভৰ্তি প্ৰচাৰ, মূল প্ৰমাণপত্ৰ বিতৰণ আৰু প্ৰাক্তন শিক্ষাৰ্থীৰ পঞ্জীয়নৰ এক সমন্বিত কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানটোত বিভিন্ন শৈক্ষিক বিভাগৰ সফল শিক্ষাৰ্থীসকলৰ মাজত ১,৮০০ৰো অধিক মূল প্ৰমাণপত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। বিশেষকৈ বিভিন্ন কাৰণত নিজৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পাছতো পূৰ্বে মূল প্ৰমাণপত্ৰ সংগ্ৰহ কৰিব নোৱাৰা শিক্ষাৰ্থীসকলক সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হয়। অনুষ্ঠানত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাস, পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়া, অধ্যয়ন কেন্দ্ৰসমূহৰ ডীন (ভাৰপ্ৰাপ্ত) ড° দিলীপ দেৱচৌধুৰী, আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কেন্দ্ৰৰ সঞ্চালক (ভাৰপ্ৰাপ্ত) ড° পৰাগ দত্ত, মণিৰাম দেৱান স্কুল অব মেনেজমেণ্টৰ সঞ্চালক অধ্যাপক নৃপেন্দ্ৰ নাৰায়ণ শৰ্মা, পদ্মনাথ গোহাঁই বৰুৱা মানবিকী অধ্যয়ন সত্ৰৰ সঞ্চালক অধ্যাপক প্ৰসেনজিৎ দাস, অধ্যয়ন কেন্দ্ৰসমূহৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাৰ লগতে বিশ্ববিদ্যালয়ৰ বিভিন্ন অধ্যয়ন সত্ৰৰ সঞ্চালকসকল, বিশ্ববিদ্যালয়ৰ বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বৃহৎ সংখ্যক সফল শিক্ষাৰ্থী উপস্থিত থাকে। অনুষ্ঠানত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক উদ্দেশ্যি আদৰণী ভাষণ ৰাখে অধ্যয়ন কেন্দ্ৰসমূহৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাই। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰসমূহৰ ডীন (ভাৰপ্ৰাপ্ত) ড° দিলীপ দেৱচৌধুৰীয়ে ভাষণ প্ৰদান কৰে। মণিৰাম দেৱান স্কুল অব মেনেজমেণ্টৰ সঞ্চালক অধ্যাপক নৃপেন্দ্ৰ নাৰায়ণ শৰ্মাই বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণ শিক্ষাৰ্থীসকলক কে কে এইচ এছ অ' ইউৰ ব্ৰেণ্ড এম্বেছাডৰ হিচাপে অভিহিত কৰি কয় যে তেওঁলোকে 'এডুকেচন বিয়ণ্ড বেৰিয়াৰ্ছ' অৰ্থাৎ বাধাৰ পৰিধি নেওচি শিক্ষাৰ বাৰ্তা সমাজত আগবঢ়াই নিব। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়াই সমসাময়িক শিক্ষাৰ পৰিৱেশত তথ্যৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে কে কে এইচ এছ অ' ইউৰে আগবঢ়োৱা শিক্ষাৰ গুণগত মানৰ বিষয়ে সমাজত অৱগত কৰা আৰু বিশ্ববিদ্যালয়ৰ সাফল্যসমূহ বৃহত্তৰ সমাজৰ মাজলৈ লৈ যোৱাত পালন কৰিবলগীয়া গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰে। সমবেত লোকসকলক সম্বোধন কৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে পূৰ্বে বিভিন্ন কাৰণত মূল প্ৰমাণপত্ৰ সংগ্ৰহ কৰিব নোৱাৰা শিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰাৰ তাৎপৰ্যৰ বিষয়ে আলোকপাত কৰে। এই কাৰ্যসূচীত কে কে এইচ এছ অ' ইউৰ দৃষ্টিভংগী আৰু লক্ষ্য আগবঢ়াই নিয়াত উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়টোও বিশেষভাৱে উত্থাপন কৰা হয়। বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকল, সহযোগী আৰু ব্ৰেণ্ড এম্বেছাডৰ হিচাপে তেওঁলোকে মুক্ত আৰু দূৰশিক্ষণৰ জৰিয়তে উচ্চ শিক্ষাত প্ৰৱেশাধিকাৰ, সমতা, সমঅধিকাৰ আৰু গুণগত মান নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ প্ৰতিশ্ৰুতি অধিক শক্তিশালী কৰাত অবিহণা যোগোৱাত দায়িত্ব আছে। একে সময়তে তেওঁলোকে সমাজৰ যিসকল অংশ এতিয়াও উচ্চ শিক্ষাৰ সুযোগৰ পৰা বঞ্চিত, সেইসকলৰ মাজলৈ বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থা লৈ যোৱাত সহায় কৰিব পাৰে। কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচীসমূহৰ প্ৰচাৰ, সম্ভাব্য শিক্ষাৰ্থীসকলক উৎসাহিত কৰা, সমাজৰ সৈতে বিশ্ববিদ্যালয়ৰ সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু শৈক্ষিক তথা প্ৰশাসনিক প্ৰক্ৰিয়াসমূহৰ নিৰন্তৰ উন্নতিৰ বাবে মূল্যবান মতামত সংগ্ৰহ কৰাৰ ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সৈতে নিৰন্তৰ সংযোগ ৰখাৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰা হয়। আনুষ্ঠানিক সভাৰ পাছত সফল শিক্ষাৰ্থীসকলৰ মাজত মূল প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। সমগ্ৰ কাৰ্যসূচীটো কে কে এইচ এছ অ' ইউৰ অধ্যয়ন কেন্দ্ৰৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাই পৰিচালনা কৰে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# নামভৰ্তি প্ৰচাৰ, মূল প্ৰমাণ-পত্ৰ বিতৰণ

## প্ৰাক্তন শিক্ষাৰ্থীৰ পঞ্জীয়নৰ কাৰ্যসূচী

গুৱাহাটী, ৩ অক্টোবৰ ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আজি খানাপাৰাস্থিত জুবিন প্ৰেক্ষাগৃহত নামভৰ্তি প্ৰচাৰ, মূল প্ৰমাণ-পত্ৰ বিতৰণ আৰু প্ৰাক্তন শিক্ষাৰ্থীৰ পঞ্জীয়নৰ সমন্বিত কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানটোত বিভিন্ন শৈক্ষিক বিভাগৰ সফল শিক্ষাৰ্থীসকলৰ মাজত ১,৮০০ৰো অধিক মূল প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানটোত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাস, পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়া, অধ্যয়ন কেন্দ্ৰসমূহৰ ডীন (ভাৰপ্ৰাপ্ত) ড° ৰিদীপ দেৱ চৌধুৰী, আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কেন্দ্ৰৰ সঞ্চালক (ভাৰপ্ৰাপ্ত) ড° পৰাগ দত্ত, মণিৰাম দেৱান স্কুল অৱ মেনেজমেণ্টৰ সঞ্চালক অধ্যাপক নৃপেন্দ্ৰ নাৰায়ণ শৰ্মা,



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী অধ্যয়ন সত্ৰৰ সঞ্চালক অধ্যাপক প্ৰসেনজিৎ দাস, অধ্যয়ন কেন্দ্ৰসমূহৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাৰ লগতে বিশ্ববিদ্যালয়ৰ বিভিন্ন অধ্যয়ন সত্ৰৰ ১৫ পৃষ্ঠাত

নিয়মীয়া বাৰ্তা দেওবাৰ, ৪ অক্টোবৰ ২০২৬

পঞ্চম পৃষ্ঠাৰ পৰা

## নামভৰ্তি প্ৰচাৰ, মূল প্ৰমাণ-পত্ৰ বিতৰণ

সঞ্চালকসকল, বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বৃহৎসংখ্যক সফল শিক্ষাৰ্থী উপস্থিত থাকে। অনুষ্ঠানটোত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক আদৰণি জনাই অধ্যয়ন কেন্দ্ৰসমূহৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাই কয় যে বিভিন্ন কাৰণত পূৰ্বে মূল প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব নোৱাৰা শিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদানৰ সুবিধা কৰি দিয়াৰ ক্ষেত্ৰত এনে কাৰ্যসূচীৰ বিশেষ গুৰুত্ব আছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰসমূহৰৰ ডীন (ভাৰপ্ৰাপ্ত) ড° ৰিদীপ দেৱ চৌধুৰীয়ে ভাষণ দি শিক্ষাৰ্থীৰ সহায়ক হোৱাকৈ আগবঢ়োৱা সেৱাসমূহ অধিক শক্তিশালী কৰাৰ বাবে শিক্ষা ব্যৱস্থাত প্ৰযুক্তিৰ সমন্বয়ৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ বিশ্ববিদ্যালয়ৰ কেইবাটাও প্ৰযুক্তি নিয়োজিত পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ ভিতৰত সহজতে নামভৰ্তিৰ ৰচিদ লাভ, K-Connect Android Applicationৰ জৰিয়তে e-SLMS আৰু এচাইনমেণ্টত লাভৰ সুবিধা, আৰু অনলাইন ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ্থী পৰিচয়-পত্ৰ লাভৰ সুবিধা আদি উল্লেখযোগ্য। তেওঁ সামাজিক মাধ্যমৰ বিভিন্ন প্লেটফৰ্মতো বিশ্ববিদ্যালয়ৰ সক্ৰিয় উপস্থিতিৰ কথা উল্লেখ কৰাৰ লগতে নেট আৰু স্লেটৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে লাভ কৰা সফলতাৰ বিষয়েও আলোকপাত কৰে। মণিৰাম দেৱান স্কুল অৱ মেনেজমেণ্টৰ সঞ্চালক অধ্যাপক নৃপেন্দ্ৰ নাৰায়ণ শৰ্মাই বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণ শিক্ষাৰ্থীসকলক মুক্ত বিশ্ববিদ্যালয়ে ব্ৰেণ্ড এম্বেছাডৰ হিচাপে অভিহিত কৰি কয় যে তেওঁলোকে বিশ্ববিদ্যালয়ৰ বাধাৰ পৰিধি নেওচি শিক্ষাৰ বাৰ্তা সমাজত আগবঢ়াই নিব। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়াই সমসাময়িক শিক্ষাৰ পৰিৱেশত তথ্যৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা শিক্ষাৰ গুণগত মানৰ বিষয়ে সমাজত অৱগত কৰা আৰু বিশ্ববিদ্যালয়ৰ সাফল্যসমূহ বৃহত্তৰ সমাজৰ মাজলৈ লৈ যোৱাত পালন কৰিবলগীয়া গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে পূৰ্বে বিভিন্ন কাৰণত মূল প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব নোৱাৰা শিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ তাৎপৰ্যৰ বিষয়ে আলোকপাত কৰে। কাৰ্যসূচীত মুক্ত বিশ্ববিদ্যালয়ৰ দৃষ্টিভংগী আৰু লক্ষ্য আগবঢ়াই নিয়াত উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়টোও বিশেষভাৱে উত্থাপন কৰা হয়। বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকল, সহযোগী আৰু ব্ৰেণ্ড এম্বেছাডৰ হিচাপে তেওঁলোকে মুক্ত আৰু দূৰশিক্ষণৰ জৰিয়তে উচ্চ শিক্ষাত প্ৰৱেশাধিকাৰ, সমতা, সম অধিকাৰ আৰু গুণগত মান নিশ্চিত কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ প্ৰতিশ্ৰুতি অধিক শক্তিশালী কৰাত অৰিহণা যোগোৱাত দায়িত্ব আছে। আনুষ্ঠানিক সভাৰ পাছত সফল শিক্ষাৰ্থীসকলৰ মাজত মূল প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। সমগ্ৰ কাৰ্যসূচীটো মুক্ত বিশ্ববিদ্যালয়ত অধ্যয়ন কেন্দ্ৰৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাই পৰিচালনা কৰে।